জাতৰ সেৱাত উৎসাৰ্গিত (৬০) বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
http://dainik.assamtribune.com

১৬৯ সংখ্যা, ১১ মাঘ, শনিবাৰ, ১৯৪৬ শক । DAINIK ASAM : Assamese Daily । VOL. 60 NO. 169 । DIBRUGARH, SATURDAY, JANUARY 25, 2025 । পৃষ্ঠা ১৬ (Pages

খাদ্য মেলা আৰু
অনুষ্ঠিত হ'ব। এই
ত গগৈক বিশেষ

## ৰাইজ
## দ্‌যাপন



াৰ পানাগাঁৱৰ টুপত
জ পানাগাঁৱৰ টুপত
ৰীত পানাগাঁৱৰ টুপ
তি সাধিনী সভাৰ
অহা হৈছে। আজি
উত্তোলনেৰে স্মৃতি
মৃতি সাধিনী সভাৰ
াছতে স্মৃতি বেদীত
আদিত্য লহকৰে।
নুষ্ঠিত হয়। ভাগৱত
পতি অভয় বৰ্মনে।
ক্তি, ৰাইজ আৰু

## সৈনিক কল্যাণ সঞ্চালকালয়ৰ সজাগতা সভা

নিজা বাতৰি দিওঁতা

**বাইহাটা চাৰিআলি, ২৪ জানুৱাৰী** ঃ বৰ্তমান সময়ৰ নৱপ্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকলক দেশপ্ৰেম আৰু ৰাষ্ট্ৰৰ সেৱাৰ প্ৰতি উদ্বুদ্ধ কৰাৰ উদ্দেশ্যে বাইহাটা চাৰিআলিৰ পূব কামৰূপ মহাবিদ্যালয়ত আজি সৈনিক কল্যাণ সঞ্চালকালয়ৰ উদ্যোগত এখন সৈনিক কল্যাণ সজাগতা সভা অনুষ্ঠিত হয়। চেণ্টাৰ ফৰ কেৰিয়াৰ গাইডেন্স এণ্ড ট্ৰেইনিঙৰ সহযোগত আজি দিনৰ ১২ বজাত ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত কৰা সজাগতা সভাৰ উদ্দেশ্য আছিল নৱ প্ৰজন্মৰ মাজত দেশপ্ৰেম সৃষ্টি কৰি দেশসেৱাৰ মনোভাব বৃদ্ধি কৰা। দেশৰ প্ৰধানমন্ত্ৰীৰ পৰামৰ্শক্ৰমে আৰু অসমৰ ৰাজ্যপালৰ নিৰ্দেশ মৰ্মে অনুষ্ঠিত সজাগতা সভাৰ আঁত ধৰে চেণ্টাৰ ফৰ কেৰিয়াৰ গাইডেন্স আৰু ট্ৰেইনিঙৰ সমন্বয়ক পূব কামৰূপ মহাবিদ্যালয়ৰ অধ্যাপক খনীন্দ্ৰ দাসে।

কানৈ মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰত ডঃ ভীমকান্ত বৰুৱা

## 'মৌখিক পৰম্পৰাই ভাৰতীয় দৰ্শনক সমাজৰ সকলো স্তৰতে প্ৰসাৰিত কৰিছে'

জিলাৰ বাতৰি দিওঁতা

**ডিব্ৰুগড়, ২৪ জানুৱাৰী** ঃ 'মৌখিক পৰম্পৰাই ভাৰতীয় দৰ্শনক সমাজৰ সকলো স্তৰতে প্ৰসাৰিত কৰিছে।' —অসমৰ জনপ্ৰিয় কলা-সংস্কৃতি অনুষ্ঠান অসম জনকৃষ্টি সমাজ আৰু ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ গৱেষণা আৰু উন্নয়ন কোষ তথা আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ উদ্যোগত অনুষ্ঠিত 'মৌখিক পৰম্পৰা আৰু ভাৰতীয় দৰ্শন' বিষয়ত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভাষা অধ্যয়ন কেন্দ্ৰৰ প্ৰতিষ্ঠাপক সঞ্চালক, ভাষাবিদ, প্ৰফেছৰ এমেৰিটাছ ডঃ ভীমকান্ত বৰুৱাই আজি এইদৰে কয়। দেশ-বিদেশৰ বিভিন্ন গ্ৰন্থৰ উদাহৰণৰ মাজেৰে তেওঁ মৌখিক পৰম্পৰাৰ মাজত থকা ভাৰতীয় দৰ্শনৰ এখন বহল ছবি দাঙি ধৰে। মহাবিদ্যালয়ৰ অধ্যাপিকা সংক্ৰান্তি দেৱীয়ে আঁত ধৰা অনুষ্ঠানত উদ্বোধনী ভাষণ দিয়ে তেজপুৰ বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, বিশিষ্ট শিক্ষাবিদ-লেখক ডঃ মদন শৰ্মাই। উদ্বোধনী ভাষণ প্ৰসংগত ডঃ শৰ্মাই কয়— মানৱতাৰ সকলো দিশৰ উন্নয়নত মৌখিক পৰম্পৰাই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। কানৈ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ডঃ দীপংকজ গগৈয়ে মহাবিদ্যালয়ৰ চমু আভাস দাঙি ধৰা অনুষ্ঠানটিত আদৰণী ভাষণ দিয়ে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা আলোচনাচক্ৰৰ কাৰ্যকৰী সভাপতি ডঃ শশীকান্ত শইকীয়াই। অনুষ্ঠানত অসম জনকৃষ্টি সমাজৰ 'জনকৃষ্টি' নামৰ গৱেষণা পত্ৰিকাখন উন্মোচন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয় তথা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য বিশিষ্ট শিক্ষাবিদ ডঃ কন্দৰ্প কুমাৰ ডেকাই। গৱেষণা পত্ৰিকাখন উন্মোচন কৰি ডঃ ডেকাই লোকসংস্কৃতিৰ চৰ্চা আৰু প্ৰসাৰত অসম জনকৃষ্টি সমাজে গ্ৰহণ কৰা ভূমিকাৰ ভূয়সী প্ৰশংসা কৰে। অনুষ্ঠানত কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়ৰ শৈক্ষিক পঞ্জীয়ক আৰু ডীন তথা অসম জনকৃষ্টি সমাজৰ সভাপতি ডঃ মৃণাল কুমাৰ বৰা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ জনকৃষ্টি গৱেষণা বিভাগৰ মুৰব্বী ডঃ অনিল কুমাৰ বড়ো, এবিলাকৰ প্ৰাক্তন সঞ্চালক ডঃ দিলীপ কুমাৰ কলিতা, ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ প্ৰাক্তন মুৰব্বী ডঃ শৰৎ চন্দ্ৰ ৰাভা, এবিলাকৰ সহযোগী অধ্যাপক ডঃ কৰুণাকান্ত কাকতি, উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ডেনিছ ৰাভা, কামৰূপ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ডঃ সঞ্জীৱ গোস্বামী, কানৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি অভিমন্যু বৰুৱা, দাতা সদস্য জ্যোতি প্ৰসাদ কানৈ, পশ্চিমবংগৰ কল্যাণী বিশ্ববিদ্যালয়ৰ জনকৃষ্টি বিভাগৰ অধ্যাপক সুজয় কুমাৰ মণ্ডল উপস্থিত থাকি মননশীল বক্তৃতা প্ৰদান কৰে। তিনিটা কাৰিকৰী সত্ৰত প্ৰায় ত্ৰিশগৰাকী বিভিন্ন মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, গৱেষক আৰু ছাত্ৰ-ছাত্ৰীয়ে গৱেষণা পত্ৰ পাঠ কৰে।

এগৰা

## গহপুৰত মনোমতী
## হাজৰিকাৰ মৃত্যু বা

**শিক্ষাৰ্থীৰ মাজত কবিতা, সংগীত**

নিজা বাতৰি দিওঁতা

**গহপুৰ, ২৪ জানুৱাৰী** ঃ গহপুৰৰ সু
হাজৰিকাৰ নৱম মৃত্যু বাৰ্ষিকী আজি ঘ
ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত পালন কৰা
হাজৰিকাৰ স্বামী, বিশিষ্ট সমাজকৰ্মী সিদ্ধে
কৰাৰ পাছতে ৰয়েল একাডেমী ছিনিয়ৰ ছে
সমবেত সংগীত পৰিৱেশন কৰে। ন্যাসৰ স
হাজৰিকাৰ কন্যা অদিতি হাজৰিকাই আঁত
কৰে বিশিষ্ট সমাজকৰ্মী ৰামপ্ৰসন্ন বৰাই। ত
শিক্ষাৰ্থীসকলৰ মাজত অনুষ্ঠিত প্ৰতিযোগি
স্থান লাভ কৰে শংকৰজ্যোতি বৰাই (যাদৱ
দ্বিতীয় স্থান লাভ কৰে সমিকা দাসে
ছেকেণ্ডেৰী স্কুল) আৰু তৃতীয় স্থান দখ
(কনকলতা আদৰ্শ ছোৱালী হাইস্কুল)। সংগী
চন্দ্ৰাক্ষি বৰুৱাই প্ৰথম (যাদৱ গোস্বামী জ
বৰুৱাই দ্বিতীয় (যোগনাথ সৌৰৱণী শংক
পূৰ্বাশ্ৰী শইকীয়াই তৃতীয় স্থান লাভ ক
বিদ্যালয়)। সংগীত প্ৰতিযোগিতাৰ 'খ' শাখ
(যোগনাথ সৌৰৱণী শংকৰদেৱ শিশু বিদ্যা
দ্বিতীয় (মৰ্নিং ষ্টাৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল
স্থান লাভ কৰে (যাদৱ গোস্বামী জাতীয় বিদ
প্ৰজ্ঞাশ্ৰী লোকেশ্বৰী সন্দিকৈ, পঞ্চৰত্ন ক
গোস্বামী, যোগনাথ সৌৰৱণী শংকৰদেৱ বি
বৰঠাকুৰ, মৰ্নিং ষ্টাৰ ছিনিয়ৰ ছেকেণ্ডাৰী
বৰঠাকুৰ, যাদৱ গোস্বামী জাতীয় বিদ্যালয়ৰ
ৰয়েল একাডেমী ছিনিয়ৰ ছেকেণ্ডেৰী স্কু
শিক্ষক বৰ্ণালী ভাগৱতী, কনকলতা লেখিক
ৰেণু শইকীয়া বৰা, সদস্যা কুনুমাই দাস, মি
মীৰা চৌধুৰীসহ বিশিষ্ট ব্যক্তিসকল উপস্থি

## ালয়ত '২০৪৭ চনলৈ
## দিনীয়া ৰাষ্ট্ৰীয় আলোচনাচক্ৰ